Under CSR Support by ipca | Foundation missiongyan

# অধ্যায় - ৮ | ৰঙৰ ৰহস্য

**QUIZ-01**

**১. ৰামধেনুত মুঠ কিমানটা ৰং থাকে?**
ক) ৫টা
খ) ৬টা
গ) ৭টা
ঘ) ৮টা
**উত্তৰ: গ**
**ব্যাখ্যা: বিজ্ঞান অনুসাৰে ৰামধেনুত সাতটা ৰং দেখা যায়।**

**২. ৰামধেনুৰ ৰংবোৰ মনত ৰাখিবলৈ কোনটো শব্দ ব্যৱহাৰ কৰা হয়?**
ক) ABCDEF
খ) VIBGYOR
গ) RAINBOW
ঘ) COLOR
**উত্তৰ: খ**
**ব্যাখ্যা: সাতটা ৰঙৰ প্ৰথম আখৰ লৈ “VIBGYOR” (Violate, Indigo, Green, Yellow, Orange, Red) শব্দটো গঠন কৰা হৈছে।**

**৩. তলৰ কোনটো ৰং ৰামধেনুৰ অন্তৰ্গত নহয়?**
ক) সেউজীয়া
খ) নীলা
গ) গোলাপী
ঘ) হালধীয়া
**উত্তৰ: গ**
**ব্যাখ্যা: ৰামধেনুৰ সাতটা ৰঙৰ ভিতৰত গোলাপী নাই।**

**৪. বস্তু এটাৰ ৰং আমি কেনেকৈ দেখোঁ?**
ক) বস্তুৱে নিজে পোহৰ দিয়ে
খ) পোহৰ প্ৰতিফলিত হৈ চকুত সোমায়
গ) চকুৱে ৰং সৃষ্টি কৰে
ঘ) আকাশে ৰং দিয়ে
**উত্তৰ: খ**
**ব্যাখ্যা: পোহৰ বস্তুৰ পৰা প্ৰতিফলিত হৈ আমাৰ চকুত আহে, সেয়েহে ৰং দেখা যায়।**

**৫. ৰামধেনু কেতিয়া দেখা যায়?**
ক) নিশা
খ) বৰষুণৰ পিছত সূৰ্যৰ পোহৰত
গ) কেৱল গৰমত
ঘ) শীতকালত
**উত্তৰ: খ**
**ব্যাখ্যা: পানীৰ কণাত সূৰ্যৰ পোহৰ ভাঙি ৰামধেনু সৃষ্টি হয়।**

**৬. ৰামধেনু কেনেকৈ সৃষ্টি হয়?**
ক) মেঘৰ পৰা
খ) পানীৰ কণাত পোহৰ ভাঙি
গ) বতাহত
ঘ) মাটিত
**উত্তৰ: খ**
**ব্যাখ্যা: সূৰ্যৰ পোহৰ পানীৰ কণাত প্ৰতিসৰণ আৰু প্ৰতিফলনৰ ফলত ৰামধেনু হয়।**

**৭. পোহৰ নাথাকিলে আমি ৰং দেখিম নে?**
ক) দেখিম
খ) নেদেখোঁ
গ) আধা দেখোঁ
ঘ) কেৱল নীলা দেখোঁ
**উত্তৰ: খ**
**ব্যাখ্যা: পোহৰ নাথাকিলে ৰং দেখা নাযায়।**

**৮. কোন বিজ্ঞানীয়ে পোহৰত সাতটা ৰং আছে বুলি দেখুৱাইছিল?**
ক) আইনষ্টাইন
খ) নিউটন
গ) গ্যালিলিও
ঘ) ডাৰউইন
**উত্তৰ: খ**
**ব্যাখ্যা: আইজাক নিউটনে প্ৰিজম ব্যৱহাৰ কৰি এই কথা প্ৰমাণ কৰিছিল।**

**৯. আকাশখন নীলা দেখাৰ মূল কাৰণ কি ?**
ক) আকাশ নীলা
খ) পোহৰৰ বিকিৰণ
গ) মেঘ
ঘ) পানী
**উত্তৰ: খ**
**ব্যাখ্যা: সূৰ্যৰ পোহৰ বায়ুমণ্ডলত বিকিৰণ হোৱাৰ বাবে আকাশ নীলা দেখা যায়।**

**১০. ৰামধেনুৰ আটাইতকৈ ওপৰত কোনটো ৰং থাকে?**
ক) নীলা
খ) সেউজীয়া
গ) ৰঙা
ঘ) বেঙুনীয়া
**উত্তৰ: গ**
**ব্যাখ্যা: ৰামধেনুৰ ওপৰত ৰঙা আৰু তলত বেঙুনীয়া থাকে।**

মিছন জ্ঞান
100% FREE!
Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App